**32T CHEM**

# 2022

# CHEMISTRY
## (Theory)

**Full Marks : 70**

**Pass Marks : 21**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

***General Instructions :***

*(i)* *All questions are compulsory.*

*(ii)* *Marks for each question are indicated against it.*

*(iii)* *Answers should be specific and to the point.*

*(iv)* *Question numbers **1** to **8** consist of eight very short answer type questions and carry **1** mark each.* $1\times8 = 8$

*(v)* *Question numbers **9** to **16** consist of ten short answer type questions and carry **2** marks each.* $2\times10 = 20$

*(vi)* *Question numbers **17** to **25** consist of nine short answer type questions and carry **3** marks each.* $3\times9 = 27$

*(vii)* *Question numbers **26** to **28** consist of three long answer type questions and carry **5** marks each.* $5\times3 = 15$

Total = 70

*Contd.*

1. A metal crystallises in a body-centred cubic structure. If '$a$' is the edge length of its unit cell, '$r$' is the radius of the sphere, what is the relationship between '$r$' and '$a$' ? 1

এটা ধাতু শৰীৰকেন্দ্ৰিক ঘনকীয় লেটিছত স্ফটিকৃত হয়। যদি একক কোষটোৰ দাতিদৈৰ্ঘ্য '$a$' হয় আৰু গোলকটোৰ পৰমাণু ব্যাসাৰ্ধ '$r$' হয়, তেন্তে '$a$' আৰু '$r$'ৰ মাজত সম্পৰ্ক কি হব?

2. Arrange the following compounds in the increasing order of their boiling points : 1

তলত উল্লেখিত যৌগকেইটাৰ উতলাংক অনুযায়ী উৰ্ধক্ৰমত সজোৱা ঃ


$CH_3 - CHO,\ CH_3 - CH_2 - OH,\ CH_3 - CH_2 - CH_3$

3. Write down the formula of Tetraamineaquachloridocobalt(III) chloride. 1

ট্ৰেটাএমাইনএকুৱাক্ল'ৰিড'কবাল্ট(III) ক্ল'ৰাইডৰ গঠন সংকেত লিখা।

4. Write the IUPAC name of the following compound : 1

তলত দিয়া যৌগটোৰ IUPAC নাম লিখা ঃ



5. What will be the impact on $K_f$ when the molality of a solution is doubled ? 1

এটা দ্ৰৱৰ ম'লেলিটি দুগুণ বঢ়ালে $K_f$ ৰ ওপৰত কি প্ৰভাৱ পৰিব?

6. Which is a stronger oxidizing agent – $Bi(v)$ or $Sb(v)$? 1

$Bi(v)$ আৰু $Sb(v)$ ৰ ভিতৰত কোনটো বেছি শক্তিশালী জাৰক দ্ৰব্য হয়?

7. $pK_b$ of aniline is more than that of methylamine. Why? 1

মিথাইলএমাইনৰ তুলনাত এনিলিনৰ $pK_b$ ৰ মান কিয় বেছি হয়?

8. Which of the following compounds can undergo Hell-Volhard-Zelinsky reaction? 1

তলত দিয়া কোনটো যৌগই হেল-ভ'লহাৰ্দ-জেলিনস্কি দেখুৱায়?

*(i)* Benzoic acid

বেনজয়িক এচিড

*(ii)* Propanoic acid

প্ৰপানয়িক এচিড

9. The freezing point depression constant for water is $1{\cdot}86\,°C\,m^{-1}$. If $5{\cdot}0g$ of $Na_2SO_4$ is dissolved in $45g$ of water, then freezing point is changed by $3{\cdot}80°C$. Calculate the Van't Hoff factor for $Na_2SO_4$. 2

পানীৰ হিমাংক অৱনমন ধ্ৰুৱকৰ মান হৈছে $1{\cdot}86\,°C\,m^{-1}$। যদি $45g$ পানীত $5{\cdot}0g$ $Na_2SO_4$ দ্ৰৱীভূত কৰা হয়, তেন্তে হিমাংক $3{\cdot}80°C$ লৈ অৱনমিত হয়। এতিয়া $Na_2SO_4$-ৰ বাবে ভেন্ট হফ গুণকৰ মান নিৰ্ণয় কৰা।

*OR/ অথবা*

State Henry's law. Why do gases nearly always tend to be less soluble in liquids as the temperature is raised? 2

হেনৰীৰ সূত্ৰটো উল্লেখ কৰা। উষ্ণতা বৃদ্ধি হলে গেছবোৰ সদায় তৰলত কিয় অতি কম পৰিমাণে দ্ৰৱীভূত হয়?

10. Calculate the pH at which the potential of hydrogen electrode will be 0·059 $V$. 2

হাইড্ৰ'জেন বিদ্যুৎদ্বাৰৰ বিভৱৰ মান 0·059 $V$ হ'লে pH মান কিমান হব নিৰ্ণয় কৰা।

*OR/অথবা*

The chemistry of corrosion of iron is essentially an electrochemical phenomenon. Explain the reactions occurring during the corrosion of iron in the atmosphere. 2

আইৰণৰ ক্ষয় হোৱা ৰসায়নটো মূলতঃ এক বিদ্যুৎৰাসায়নিক পৰিঘটনা। এই আইৰণৰ ক্ষয় হোৱাৰ সময়ত বায়ুমণ্ডলত সংঘটিত বিক্ৰিয়াবোৰ ব্যাখ্যা কৰা।

11. Why $H_2$ and $O_2$ do not react at room temperature ? Write the rate equation for the reaction $A_2 + 3B_2 \rightarrow 2C$, if the overall order of the reaction is zero. 1+1=2

$H_2$ আৰু $O_2$ য়ে কক্ষ তাপমাত্ৰাত কিয় বিক্ৰিয়া নকৰে? $A_2 + 3B_2 \rightarrow 2C$ বিক্ৰিয়াটোৰ কাৰণে গতি সূত্ৰটো লিখা যদিহে সম্পূৰ্ণ বিক্ৰিয়াটো শূন্য ক্ৰমৰ হয়।

*OR/অথবা*

A first order reaction has a rate constant of $0{\cdot}0051\, min^{-1}$. If we begin with $0{\cdot}10\, M$ concentration of the reactant, what concentration of reactant will remain in solution after 3 hours ? 2

এটা প্ৰথম ক্ৰমৰ বিক্ৰিয়াৰ গতি ধ্ৰুৱকৰ মান হৈছে 0·0051 মিনিট$^{-1}$। যদি আমি 0·10 $M$ বিক্ৰিয়কৰ গাঢ়তাৰে আৰম্ভ কৰো, তেন্তে তিনি ঘন্টাৰ পাছত দ্ৰৱটোত কিমান গাঢ়তাৰ বিক্ৰিয়ক থাকিব?

12. Answer *any two* :

*যিকোনো দুটাৰ* উত্তৰ লিখা ঃ

(a) Write the mathematical expression for the Freundlich adsorption isotherm and draw the graph $log\frac{x}{y}$ vs $log P$. 2

ফ্রেনলিউৰ অধিশোষণ সমোষ্ণীৰ গাণিতিক সমীকৰণটো লিখা আৰু $log\frac{x}{y}$ vs $log P$ ৰ লেখ অংকন কৰা।

(b) How do emulsifiers stabilize emulsion ? Name *two* emulsifiers. 2

অৱদ্রবীয় ঘটকে কেনেকৈ অৱদ্রবক সুস্থিৰ কৰে? *দুটা* অৱদ্রবীয় ঘটকৰ নাম লিখা।

(c) Define shape-selective catalysis. Give an example. 1+1=2

আকৃতি নির্বাচনক্ষম অনুঘটন বিক্রিয়াৰ সংজ্ঞা লিখা। এনে অনুঘটক এটাৰ উদাহৰণ দিয়া।

13. Why is it that only sulphide ores are concentrated by froth floatation processes ? What is the role of depressants in the froth floatation process of dressing of ores ? 1+1=2

ফেন উপপ্লৱন পদ্ধতিৰ দ্বাৰা কেৱল ছালফাইড আকৰকহে কিয় ঘনীভূত কৰা হয়? ফেন উপপ্লৱন পদ্ধতিত আকৰক পৰিশুদ্ধকৰণত নিম্নকাৰী দ্রব্যৰ ভূমিকা কি?

14. Answer *any two* :

***যিকোনো দুটাৰ*** উত্তৰ লিখা ঃ

*(a)* $Ti^{4+}$ compounds are colourless in aqueous solution but $Ti^{3+}$ compounds are violet coloured. Explain. 2

জলীয় $Ti^{4+}$ যৌগবোৰ বৰণহীন, কিন্তু জলীয় $Ti^{3+}$ যৌগবোৰৰ বৰণ বেঙুনীয়া। ব্যাখ্যা কৰা।

*(b)* What is meant by 'disproportionation' of an oxidation state ? Give an example. 2

জাৰণ অৱস্থা এটাৰ অসংলগ্নকৰণ ঘটা মানে কি? এটা উদাহৰণ দিয়া।

*(c)* Actinoid contraction is greater than lanthanoid contraction. Why ? 2

লেন্থেনয়ড সংকোচনতকৈ এক্টিনইড সংকোচন বেছি। কিয়?

15. *(i)* Write the IUPAC name of the following compound : 1

তলৰ যৌগটোৰ IUPAC নাম লিখা ঃ

$[Pt(NO_2)(NH_3)BrCl]$

*(ii)* How many geometrical isomers will be possible for $[Pt(Py)(NH_3)BrCl]$ compound ? 1

$[Pt(Py)(NH_3)BrCl]$ যৌগটোৱে জ্যামিতীয় সমযোগী কিমানটা দেখুৱাব পাৰে?

*OR / অথবা*

Write the hybridization state of central atom of the following co-ordination complexes along with their magnetic properties. 2

উল্লেখিত জটিল যৌগ কেইটাৰ কেন্দ্ৰীয় পৰমাণুৰ সংকৰণ অবস্থা আৰু লগতে সিহঁতৰ চুম্বকীয় গুণৰ বিষয়ে লিখা।

$[Cu(NH_3)_4]^{2+}$ and (আৰু) $[Ni(CO)_4]$

16. What is the prime cause of depression ? Give an example of antidepressant drug. 2

বিষণ্ণতাৰ প্ৰধান কাৰণ কি? প্ৰতিবিষণ্ণতাকাৰী ঔষধ এটাৰ উদাহৰণ দিয়া।

*OR / অথবা*

What is the function of a Tranquilizer ? Give an example of a compound which can be used both as Antiseptic and Disinfectants. 2

সুপ্তকাৰী বা ট্ৰেনকুইলাইজাৰে কি কাম কৰে? এটা যৌগৰ উদাহৰণ দিয়া, যিটো যৌগই বীজাণুবাৰক আৰু বীজাণুনাশক দুয়োপ্ৰকাৰে ক্ৰিয়া কৰে।

17. Mention the type of Semiconductor when $Si$ doped with $P$. A solid compound $XY$ has $NaCl$ structure. If the radius of the cation $(X^+)$ is $100\,pm$ then calculate the radius of the anion $(Y^-)$. 1+2=3

$Si$ত $P$ ড'পিং কৰিলে কোন প্ৰকাৰৰ অৰ্ধপৰিবাহী গঠন হ'ব নাম লিখা। এটা কঠিন যৌগ $XY$ৰ $NaCl$ৰ গঠন আছে। যদি কেটায়ন $(X^+)$ৰ ব্যাসাৰ্ধ $100\,pm$ হয়, তেন্তে এনায়ন $(Y^-)$ৰ ব্যাসাৰ্ধ নিৰ্ণয় কৰা।

**OR / অথবা**

What are semiconductors ? How electrical conductivity of semiconductors vary with temperature ? Give *one* example of intrinsic semiconductors. 1+1+1=3

অৰ্ধপৰিবাহী কি? অৰ্ধপৰিবাহীবোৰৰ বিদ্যুত পৰিবাহীতা উষ্ণতাৰ লগত কেনেকৈ পৰিবৰ্তন হয়? আভ্যন্তৰিক অৰ্ধপৰিবাহীবোৰৰ *এটি* উদাহৰণ দিয়া।

18. In the electrochemical cell ;

$Zn / ZnSO_4$ (0·1$M$) // $CuSO_4$ (0·1$M$) / $Cu$ ,

the e.m.f. of the Deniel cell is $E_1$. When the concentration of $ZnSO_4$ changed to 1·0$M$ and $CuSO_4$ changed to 0·01$M$, the e.m.f. of the cell changes to $E_2$. Establish the relation between $E_1$ and $E_2$. 3

এই বিদ্যুত ৰাসায়নিক কোষটোত

$Zn / ZnSO_4$ (0·1$M$) // $CuSO_4$ (0·1$M$) / $Cu$ ,

e.m.f. ৰ মান $E_1$ হয়। যেতিয়া $ZnSO_4$ ৰ গাঢ়তা 1·0$M$ ৰ আৰু $CuSO_4$ৰ গাঢ়তা 0·01$M$ লৈ সলনি কৰা হয়, কোষটোৰ e.m.f. মান $E_2$ লৈ সলনি হয়। এতিয়া এই $E_1$ আৰু $E_2$ ৰ মাজত সম্পৰ্ক স্থাপন কৰা।

**OR / অথবা**

The molar conductance of 0·1$m$ aqueous solution of $NH_4OH$ is 9·54 $ohm^{-1}cm^2mol^{-1}$ and at infinite dilution molar conductance is 238 $ohm^{-1}cm^2mol^{-1}$. Calculate the degree of ionization of ammonium hydroxide at the same concentration and temperature. 3

0·1$m$ $NH_4OH$ জলীয় দ্ৰবৰ ম'লাৰ পৰিবাহিতাৰ মান 9·54 $ohm^{-1}cm^2mol^{-1}$ আৰু অসীম লঘুতাত ম'লাৰ পৰিবাহিতাৰ মান হয় 238 $ohm^{-1}cm^2mol^{-1}$। একে গাঢ়তা আৰু উষ্ণতাত এ'মনিয়াম হাইড্ৰ'ক্সাইডৰ বিয়োজন মাত্ৰাৰ মান গণনা কৰা।

19. *(a)* Define molality of a solution. 1

এটা দ্ৰবৰ মলেলিটিৰ সংজ্ঞা দিয়া।

*(b)* State Henry's law. At the same temperature, $CO_2$ gas is more soluble in water than $O_2$ gas. Which one of them will have higher value of $K_H$? 2

হেনৰিৰ সূত্ৰটো লিখা। একে উষ্ণতাত পানীত $CO_2$ গেছৰ দ্ৰৱনীয়তা $O_2$ গেছতকৈ অধিক। কোনটো গেছৰ $K_H$ ৰ মান বেছি হব?

20. Decomposition of $H_2O_2$ follows a first order reaction. In 50 minutes the concentration of $H_2O_2$ decreases from 0·5 to 0·125$M$ in one such decomposition. When the concentration of $H_2O_2$ reaches 0·05$M$, what is the rate of formation of $O_2$? 3

$H_2O_2$ ৰ বিলুপ্তিকৰণ বিক্ৰিয়াটো প্ৰথম ক্ৰমৰ বিক্ৰিয়া। $H_2O_2$ৰ গাঢ়তা 50 মিনিটত 0·5 ৰ পৰা 0·125$M$ লৈ কমে। যেতিয়া $H_2O_2$ৰ গাঢ়তা 0·05$M$ পাব, তেতিয়া $O_2$ৰ উৎপাদনৰ হাৰ কিমান হ'ব।

**OR / *অথবা***

Show that the integrated rate for a first order reaction $R \to P$ is

$$K = \frac{2 \cdot 303}{t} \log \frac{[R]_0}{[R]}.$$ 3

দেখুওৱা যে প্ৰথম ক্ৰমৰ বিক্ৰিয়া $R \to P$ ৰ বাবে অনুকলজ সমীকৰণটো হৈছে

$$K = \frac{2 \cdot 303}{t} \log \frac{[R]_0}{[R]}।$$

21. What happens, when — *(any three)* 1+1+1=3

কি ঘটে, যেতিয়া — *(যিকোনো তিনিটা)*

*(a)* $P_4O_{10}$ is treated with *dil.* $HNO_3$

লঘু $HNO_3$ ৰ লগত $P_4O_{10}$ বিক্ৰিয়া কৰে

*(b)* $Cl_2$ is treated with hot and *conc.* $NaOH$

গাঢ় $NaOH$ ৰ লগত $Cl_2$ বিক্ৰিয়া কৰে

*(c)* Reaction of ammonia with excess $Cl_2$ gas

অধিক পৰিমাণৰ $Cl_2$ গেছৰ লগত এম'নিয়াৰ বিক্ৰিয়া

*(d)* Orthophosporic acid is heated

অৰ্থফছ্‌ফৰিক এচিড উত্তপ্ত কৰা হয়

22. *(a)* Write the chemical reactions for following transformations : ***(any two)*** 1+1=2

নিম্নোক্ত পৰিৱৰ্তনবোৰ সম্পন্ন কৰিবলৈ ৰাসায়নিক বিক্ৰিয়াবোৰ লিখা ঃ ***(যিকোনো দুটা)***

*(i)* Benzene to Phenol

বেনজিনৰ পৰা ফিন'ল

*(ii)* Toluene to Benzyl alcohol

টলুইনৰ পৰা বেনজাইল এলক'হল

*(iii)* Benzene to Diphenyl


বেনজিনৰ পৰা ডাইফিনাইল

(b) Why aryl halide undergoes electrophilic substitution reaction rather than nucleophilic substitution reaction ? 1

এৰাইল হেলাইডে কিয় নিউক্লিয়ফিলিক প্ৰতিস্থাপন বিক্ৰিয়া নেদেখুৱাই ইলেক্ট্ৰ'ফিলিক প্ৰতিস্থাপন বিক্ৰিয়া দেখুৱায়?

23. (a) Identify *A* and *B*. 2

*A* আৰু *B*-ক চিনাক্ত কৰা।




(b) Write only the chemical reactions of the following : ***(any one)*** 1

নিম্নলিখিতৰ বাবে কেৱল ৰাসায়নিক বিক্ৰিয়া লিখা ঃ ***(যিকোনো এটা)***

(i) Carbylamine reaction

কাৰ্বিলেমিন বিক্ৰিয়া

(ii) Hoffmann bromamide reaction

হ'ফমেন ব্ৰমামাইড বিক্ৰিয়া

24. (a) Give an example of biodegradable polymer. 1

জীৱনিম্নীকৰণযোগ্য বহুযোগী এটাৰ উদাহৰণ দিয়া।

(b) Match the following correctly : 2

নিম্নলিখিতকেইটা শুদ্ধকৈ সজোৱা ঃ

| Polymer (বহুযোগী) | Monomer (একযোগী) |
|---|---|
| *a.* Natural Rubber (প্ৰাকৃতিক ৰবৰ) | *i* 1, 3 Butadiene (1, 3 বুটাডায়িন) + Styrene (ষ্টাইৰিন) |
| *b.* Neoprene (নিঅ'প্ৰিন) | *ii.* 1, 3 Butadiene (1, 3 বুটাডায়িন) + acrylonitrile (এক্ৰাইল'নাইট্ৰাইল) |
| *c.* Buna-*N* ( বুনা-*N*) | *iii.* Chloroprene (ক্ল'ৰ'প্ৰিন) |
| *d.* Buna-*S* ( বুনা-*S*) | *iv.* Isoprene (আইছ'প্ৰিন) |

25. (a) Write the chemical reactions for following transformations : ***(any two)*** 1+1=2

নিম্নোক্ত পৰিৱৰ্তনবোৰ সম্পন্ন কৰিবলৈ ৰাসায়নিক বিক্ৰিয়াবোৰ লিখা ঃ ***(যিকোনো দুটা)***


*(i)* Benzyl chloride to benzyl alcohol
বেনজাইল ক্ল'ৰাইডৰ পৰা বেনজাইল এলক'হল


*(ii)* Methyl magnesium bromide to 2-methyl-propan-2-ol
মিথাইল মেগ্নেছিয়াম ব্ৰ'মাইডৰ পৰা 2-মিথাইল-প্ৰ'পান-2-অ'ল


*(iii)* Acetophenone from phenol
ফেন'লৰ পৰা এচিট'ফেনন

(b) Arrange the following in increasing order of acidity : 1

উল্লেখিত যৌগকেইটাক আম্লিকতাৰ উৰ্দ্ধঃক্ৰমত সজোৱা ঃ




26. (a) What type of bonding helps in stabilizing the secondary structure of proteins ? 1

কি বান্ধনিয়ে প্ৰ'টিনৰ ছেকেণ্ডাৰী গঠন সুস্থিৰ কৰিবলৈ সহায় কৰে?

(b) Answer the following questions : ***(any two)***

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ ***(যিকোনো দুটা)***

(i) How are vitamins classified ? Name the vitamin deficiency of which causes scurvy. 2

ভিটামিনক কেনেকৈ শ্ৰেণী বিভাজন কৰা হয়? কি ভিটামিনৰ অভাৱৰ বাবে স্কাৰ্ভি ৰোগবিধ দেখা যায়, নাম লিখা।

(ii) What is glycogen ? How is it different from starch ? 2

গ্লাইক'জেন কি? ষ্টাৰ্চতকৈ ই কেনেকৈ পৃথক?

(*iii*) Name the protein which is present in hair. What type of protein is this ? 2

চুলিত থকা প্ৰ'টিন বিধৰ নাম লিখা। ই কোনটো শ্ৰেণীৰ প্ৰ'টিন?

27. (*a*) Draw the structure of ***any one*** of the following : 1

তলত উল্লিখিত ***যিকোনো এটাৰ*** গঠন অংকিত কৰা ঃ

(*i*) Chlorous acid

ক্ল'ৰাচ এচিড

(*ii*) $S_8$

(*b*) Answer the following questions : ***(any two)***

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ ***(যিকোনো দুটা)***

(*i*) Are the bond lengths of all five $P-Cl$ bonds in $PCl_5$ molecule equal? Justify your answer. 2

$PCl_5$ যৌগটোৰ গোটেই পাঁচডাল $P-Cl$ ৰ বান্ধনি দৈৰ্ঘ্য সমান হয়নে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়া।

(*ii*) Explain why $HNO_2$ behaves both as oxidizing as well as reducing agent. 2


$HNO_2$ য়ে কিয় জাৰক আৰু বিজাৰক পদাৰ্থ দুয়োটাৰে ধৰ্ম দেখুৱায়, ব্যাখ্যা কৰা।

(*iii*) When $HCl$ reacts with finely powdered iron, it forms ferrous chloride, and not ferric chloride. Explain, why ? 2


মিহি গুড়ি আইৰণৰ লগত $HCl$ য়ে বিক্ৰিয়া কৰিলে ফেৰাছ ক্ল'ৰাইডহে উৎপন্ন হয়, ফেৰিক ক্ল'ৰাইড নহয় কিয়? ব্যাখ্যা কৰা।

28. Complete the following reactions : 1×5=5


নিম্নলিখিত বিক্ৰিয়াবোৰ সম্পূৰ্ণ কৰা ঃ

(i) 


(ii) $CH_3 - C \equiv C - H \xrightarrow{Hg^{2+} + H_2SO_4}$

(iii) 


(iv) $CH_3 - CH = CH - CH_2COOC_2H_5 \xrightarrow[\text{ii. } H_2O]{\text{i. DIBAL} - H}$

(v) 


———×———